# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 02-10-2025
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১। যষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱী দুৰ্গাৰ আজি বিজয়া দশমীত বিসৰ্জন। বিজয়া দশমী উপলক্ষে ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ দেশবাসীক শুভেচ্ছা।

২। জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ সংখ্যক আৰ্বিভাৱ মহোৎসৱ উপলক্ষে ৰাজ্যৰ সত্ৰ-নামঘৰসমূহ হৰিনামৰ ধ্বনিৰে মুখৰিত।

৩। জাতিৰ পিতা মহাত্মা গান্ধীৰ জয়ন্তী উপলক্ষে আজি কৃতজ্ঞ ৰাষ্ট্ৰৰ শ্ৰদ্ধাঞ্জলি।

৪। প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ জয়ন্তী উপলক্ষে আজি শ্ৰদ্ধা নিবেদন।

*আৰু*

৫। দুৰ্গা পূজাৰ আনন্দৰ মাজতে ৰাজ্যত কেইবাটাও পথ দুৰ্ঘটনা। আৰক্ষী বিষয়াসহ ৪ জনৰ মৃত্যু।

০০০০০০০

আজি শাৰদীয় দুৰ্গোৎসৱৰ বিজয়া দশমী। যষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীৰ আজি দশমী আৰু অপৰাজিতা পূজা সম্পন্ন কৰাৰ পাছত নৱপত্ৰিকা বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন হ'ব। অৱশ্যে বিভিন্ন স্থানত কাইলৈহে দেৱীৰ মৃন্ময় প্ৰতিমা বিসৰ্জন দিয়া হ'ব।

**গুৱাহাটী** মহানগৰীত আজিৰে পৰা বিসৰ্জনৰ ব্যৱস্থা কৰা হৈছে। বিসৰ্জন প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ বাট পথসমূহত যান-যটৰ সমস্যা লাঘৱ কৰাৰ বাবে যান বাহন আৰক্ষীয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটীত এইবাৰ ৫ শতাধিক পূজা সম্পন্ন হোৱা হেতুকে পৰ্যায়ক্ৰমে প্ৰতিমাসমূহ বিসৰ্জন দিয়া হ'ব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

**ডিব্ৰুগড় জিলা** প্ৰশাসনে জিলাখনৰ ব্ৰহ্মপুত্ৰৰ কাছাৰীঘাটত দেৱী বিসৰ্জনৰ ব্যৱস্থা কৰিছে। এই সন্দৰ্ভত পূজা কমিটীসমূহক নীতি নিৰ্দেশনা দিয়া হৈছে। জিলাখনৰ নামৰূপ, নাহৰকটীয়া, ডুলিয়াজান, টেঙাঘাট, চাবুৱা, টিংখাং আদি অঞ্চলৰ পূজা সমিতিসমূহে দিহিং, চেঁচাকে ধৰি নদীসমূহত বিসৰ্জনৰ বাবে ব্যৱস্থা লৈছে।

**কাচাৰ জিলা**তো আজি দেৱী দুৰ্গাৰ বিসৰ্জন পৰ্বৰ আয়োজন কৰা হৈছে। ইয়াৰ আগেয়ে মহিলাসকলে পৰস্পৰক মিঠাই খুৱাই সেন্দূৰ খেলিব। জিলাখনৰ শিলচৰ সদৰঘাটৰ বিসৰ্জন স্থলীত কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে প্ৰতিমা বিসৰ্জন দিয়া হ'ব। কাচাৰৰ আৰক্ষী অধীক্ষক নোমল মাহাতাই সকলো দিশ পৰ্যালোচনা কৰে। আজি আৰু কাইলৈ হ'বলগীয়া এই বিসৰ্জন প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে তেওঁ যাৱতীয় নিৰ্দেশনা দিয়ে। উল্লেখযোগ্য যে, জিলাখনত এইবাৰ এহেজাৰ ৫৯২ খন দুৰ্গা পূজা অনুষ্ঠিত হৈছে।

**যোৰহাট জিলাৰ** পূজাডুবি বিসৰ্জন ঘাটত কটকটীয়া নিৰাপত্তাৰ মাজেৰে দেৱী বিসৰ্জনৰ ব্যৱস্থা কৰা হৈছে।

**দৰং জিলা**ত আজি দিনৰ ১২ বজাত বিসৰ্জন পৰ্ব আৰম্ভ হ'ব। এই প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে আৰক্ষী, এছ্ ডি আৰ এফ আৰু অন্যান্য বিভাগৰ কৰ্মীসকলক সষ্টম কৰি ৰখা হৈছে।

**গোৱালপাৰা জিলাৰ** ৩৬ খন পূজা সমিতিয়ে চহৰখনৰ কাছাৰীঘাটত বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন কৰিব। ইয়াৰ বাবে প্ৰশাসনে সকলো প্ৰস্তুতি সম্পন্ন কৰিছে। বিয়লি বিসৰ্জন পৰ্ব আৰম্ভ হ'ব।

**ধুবুৰী জিলা**তো আজি দেৱী বিসৰ্জনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। জিলাখনৰ তিনিটা ঘাটত বৈদিক নীতি-নিয়মেৰে দেৱী বিসৰ্জন দিয়া হ'ব বুলি জানিব পৰা গৈছে। এই সন্দৰ্ভত এয়া আমাৰ ধুবুৰীৰ সংবাদদাতা প্ৰদীপ সাহা—

***-ভইচ কাষ্ট-***

বিজয়া দশমী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সমগ্ৰ দেশৱাসীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই উৎসৱে সত্য আৰু ন্যায়ৰ পথ অনুসৰণ কৰিবলৈ জনসাধাৰণক অনুপ্ৰাণিত কৰে। এই উৎসৱে ন্যায়, সমতা আৰু সমন্বয়ৰ সৈতে একগোট হৈ আগবাঢ়িবলৈ সকলোকে অনুপ্ৰাণিত কৰিব বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও বিজয়া দশমী উপলক্ষে দেশৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে বিজয়া দশমী অশুভ আৰু অসত্যৰ ওপৰত শুভ আৰু সত্যৰ বিজয়ৰ প্ৰতীক। এই পৱিত্ৰ উৎসৱে সকলোকে সাহস, বুদ্ধি আৰু ভক্তিৰ পথেৰে নিৰন্তৰ অগ্ৰসৰ হোৱাৰ বাবে প্ৰেৰণা যোগাব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

০০০০০০০

জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ সংখ্যক আৰ্বিভাৱ মহোৎসৱ উপলক্ষে আজি পুৱাৰে পৰা ৰাজ্যৰ সত্ৰ-নামঘৰসমূহত হৰিনামৰ পৱিত্ৰ ধ্বনিৰে মুখৰ হৈ উঠিছে। কোচবিহাৰৰ মধুপুৰ সত্ৰত শ্ৰীমন্ত শংকৰদেৱৰ জয়ন্তী প্ৰভাতী কীৰ্তনেৰে শুভাৰম্ভ কৰা হয়।

সত্ৰপীঠ মাজুলীত গুৰুজনাৰ জন্মোৎসৱ উপলক্ষে নাম-প্ৰসংগকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। সত্ৰ আৰু নামঘৰসমূহৰ সমান্তৰালকৈ আঞ্চলিক ধৰ্মালোচনী সভাসমূহৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ জয়ন্তী পালন কৰা হৈছে। গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা সত্ৰতো আজি ৫৭৭ সংখ্যক জয়ন্তী উপলক্ষে বিভিন্ন কাৰ্যসূচী লোৱা হৈছে।

সত্ৰ নগৰী বৰপেটাৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ সত্ৰ-নামঘৰ আদিত মহাপুৰুষ জনাৰ জয়ন্তী উপলক্ষে পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। এই সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা অৰূপ জ্যোতি মহন্ত--

***-ভইচ কাষ্ট-***

কামৰূপ জিলাৰ শুৱালকুছিত বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ ৫৭৭ সংখ্যক জয়ন্তী উৎসৱৰ আয়োজন কৰা হৈছে। আজি ঊষা কীৰ্তনৰ পাছত আইসকলৰ নাম প্ৰসংগ, মহাপুৰুষীয়া ধৰ্মালোচনা সভা আৰু ধৰ্মধ্বজা

উত্তোলন কৰি জয়ন্তীৰ শুভাৰম্ভ কৰা হ'ব। ইয়াৰ পাছত হৰিনাম কীৰ্তন, পাঠপঢ়া, চৰিত তোলা আদি কাৰ্যসূচী লোৱা হ'ব। নিশা ৯ বজাত শ্ৰীমন্ত কৃষ্টি বিকাশ কেন্দ্ৰৰ শিল্পীসকলে মহাপুৰুষ জনাৰ ৰুক্মিনী হৰণ অংকীয়া নাট পৰিৱেশন কৰিব। কাইলৈ আইসকলৰ হৰিনাম সমদলৰ পাছত বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বুলি আয়োজকৰ সূত্ৰই প্ৰকাশ কৰিছে।

**গোৱালপাৰা** জিলাৰ শ্ৰীশ্ৰীশ্যামৰায় সত্ৰ আৰু বগুৱানৰ হাটী সত্ৰত ৫ দিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ জয়ন্তী অনুষ্ঠিত হৈছে।

০০০০০০০

যোৰহাট জিলাৰ টীয়ক ভগামুখত আজি পুৱতি আৰক্ষীৰ এখন বাহনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষৰ গছত খুন্দা মৰাৰ ফলত হোৱা দুৰ্ঘটনাত এজন আৰক্ষী বিষয়া থিতাতে মৃত্যু হয়। দুৰ্ঘটনাত মৃত্যু হোৱা আৰক্ষী বিষয়াজন ভগামুখ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সত্যেন্দ্ৰ মালাকাৰ বুলি জানিব পৰা গৈছে। এই দুৰ্ঘটনাত একেখন আৰক্ষী চকীৰে ৫ গৰাকী আৰক্ষীসহ উপ-পৰিদৰ্শক মৰমী নাথ গুৰুতৰভাৱে আহত হয়। আহত আটাইকেইজন আৰক্ষীকে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে।

ডিব্ৰুগড় জিলাৰ চাবুৱা থানাৰ অন্তৰ্গত ৰাষ্ট্ৰীয় ঘাইপথত কালি সংঘটিত এটা দুৰ্ঘটনাত দুজন যুৱকৰ মৃত্যু হয়। দুচকীয়া আৰু চাৰিচকীয়া বাহনৰ মুখামুখি সংঘৰ্ষৰ ফলত কৌশিক শইকীয়া আৰু উচ্ছ্বজিত শইকীয়া নামৰ দুজন যুৱক গুৰুতৰভাৱে আহত হৈ চিকিৎসালয়লৈ নিয়াৰ পথতে মৃত্যু হয়। এই শোকাৱহ দুৰ্ঘটনাটোৰ পাছত অঞ্চলজুৰি শোকৰ ছাঁ পৰে।

ইপিনে যোৱানিশা কাছাৰ জিলাৰ ধলাইৰ লায়লাপুৰত সংঘটিত এটা দুৰ্ঘটনাত এজন যুৱকৰ থিতাতে মৃত্যু হয়। দুৰ্ঘটনাত মৃত্যু হোৱা যুৱকজন ফ্ৰেন্স নগৰৰ অপু দাস বুলি জানিব পৰা গৈছে। এখন দ্ৰুতবেগী পিকআপ ভানে দুচকীয়া বাহনত আহি থকা অৱস্থাত অপু দাস নামৰ যুৱকজনক খুন্দিওৱাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্ট্জত শুনিছে। উজনি অসমৰ শ্ৰোতাসকলে মিডিয়াম ৱেভৰ ৫২৯ দশমিক ১ মিটাৰত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা, এফ এম বেণ্ডৰ ১০৩ দশমিক ৪ মেগা হাৰ্টজত আকাশবাণী যোৰহাট কেন্দ্ৰৰ পৰা ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং ৰিলে কেন্দ্ৰৰ পৰা আৰু ১০২ দশমিক ৪ মেগা হাৰ্টজত আকাশবাণী তেজপুৰ কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

জাতিৰ পিতা মহাত্মা গান্ধীৰ জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মহাত্মা গান্ধীৰ ১৫৬ সংখ্যাক জয়ন্তী উপলক্ষে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি দিয়া বাৰ্তাত কয়, যে গান্ধীজীয়ে দিয়া শান্তি, সহনশীলতা আৰু সত্যৰ বাৰ্তা সমগ্ৰ মানৱজাতিৰ বাবে প্ৰেৰণা। অস্পৃশ্যতাৰ দৰে বিভিন্ন সামাজিক কু-সংস্কাৰ আঁতৰ কৰাৰ লগতে দুৰ্বল শ্ৰেণীক শক্তি আৰু সমৰ্থন আগবঢ়াবলৈ গান্ধীজীয়ে অহোপুৰুষাৰ্থ কৰিছিল বুলি তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গান্ধী জয়ন্তী উপলক্ষে মহাত্মা গান্ধীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিছে। তেওঁ কয়, যে গান্ধীজী সেৱা আৰু সহানুভূতিৰে জনসাধাৰণক সবলীকৰণৰ ওপৰত গুৰুত্ব দিছিল। বিকশিত ভাৰত গঢ়াৰ পথত গান্ধীজীৰ আদৰ্শ দেশে সদাই অনুসৰণ কৰিব বুলি তেওঁ মন্তব্য কৰে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি গান্ধী জয়ন্তী উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। গোৱালপাৰা জিলা আয়ুক্ত প্ৰদীপ টিমুঙৰ আহ্বান মৰ্মে আজি জিলাখনৰ বিভিন্ন চৰকাৰী কাৰ্যালয় আৰু অনুষ্ঠান প্ৰতিষ্ঠানত পুৰাই চাফাই অভিযান ৰূপায়ণ কৰা হয়। এই সন্দৰ্ভত জিলাখনৰ আয়ুক্তগৰাকীয়ে এইদৰে কয়—

*-ভইচ কাষ্ট-*

ৰাজ্যৰ অন্যান্য প্ৰান্ততো গান্ধী জয়ন্তী উপলক্ষে প্ৰাৰ্থনা সভা আৰু অন্যান্য কাৰ্যসূচী লোৱা হৈছে।

**দৰং জিলা**ৰ মঙলদৈত আজি গান্ধী জয়ন্তী আৰু আন্তৰ্জাতিক অহিংসা দিৱস পালন কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰাংগণত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পন আৰু বন্তি প্ৰজ্বলন কৰা হৈছে। দিনৰ ভাগত অহিংসাৰ শপতগ্ৰহণ আৰু গান্ধীৰ জীৱন দৰ্শন সন্দৰ্ভত বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০

প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ জয়ন্তী উপলক্ষে আজি শ্ৰদ্ধা নিবেদন কৰা হৈছে। ১৯৬৪ৰ পৰা ১৯৬৬ চনলৈ দেশৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা লাল বাহাদুৰ শাস্ত্ৰীয়ে দুগ্ধ বিপ্লৱৰ সূচনা কৰিছিল। কৃষি আৰু কৃষকসকলৰ উন্নয়নৰ হকে প্ৰচেষ্টা লোৱা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশত সেউজ বিপ্লৱৰ সূচনা কৰাতো অগ্ৰনী ভূমিকা লৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা জনাই কয়, যে জয় জোৱান, জয় কিষান ধ্বনিৰে তেওঁ জনগণৰ মনত দেশাত্মবোধৰ চেতনা জগাই তুলিছিল। তেওঁৰ অনবদ্য ব্যক্তিত্ব, আদৰ্শ আৰু দৃঢ়তাই প্ৰত্যাহ্বান পূৰ্ণ সময়ত দেশক নেতৃত্ব দিছিল বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। এখন শক্তিশালী আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ দিশত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশবাসীক অনুপ্ৰাণিত কৰি থাকিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ আই টিয়ে গ্ৰেপ্তাৰ কৰা শ্যামকানু মহন্ত আৰু শিল্পীজনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক ১৪ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ চৰজমিন তদন্ত কৰিবলৈ অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ এটা দল শীঘ্ৰেই ছিংগাপুৰলৈ যাব বুলি এছ আই টিক নেতৃত্ব দিয়া শীৰ্ষ আৰক্ষী বিষয়া মুন্না প্ৰসাদ গুপ্তাই প্ৰকাশ কৰিছে। তেওঁ কয় যে পাৰস্পৰিক আইনী সহায়তা চুক্তি অনুসৰি দলটোৱে ছিংগাপুৰত গৈ তদন্ত কৰিব। তেওঁ লগতে শ্যামকানু মহন্ত

আৰু সিদ্ধাৰ্থ শৰ্মাৰ পৰা সকলো ধৰণৰ ইলেকট্ৰনিক সামগ্ৰী তথা অন্যান্য নথিপত্ৰ জব্দ কৰা হৈছে বুলি জানিবলৈ দিয়ে।

**ৰাইট (মুন্না প্ৰসাদ গুপ্তা)**

ইপিনে শিল্পীগৰাকীৰ গৃহনগৰী যোৰহাটত কালি ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। যোৰহাট ষ্টেডিয়ামত আয়োজিত এই অনুষ্ঠানত সৰ্বধৰ্ম প্ৰাৰ্থনা, গায়ন-বায়ন, দিহানাম আদি পৰিৱেশনেৰে জনতাৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনোৱা হয়। অগণন গুণমুগ্ধই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। নিখিল ভাৰতীয় কংগ্ৰেছ কমিটীৰ তৰফৰ পৰা কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰে কালি এই ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশ লৈ শিল্পীগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। কৰ্ণাটকৰ কান্নাড়া সংগীতৰ ক্ষেত্ৰত জুবিন গাৰ্গৰ অৱদানৰ কথা সুঁৱৰি শ্ৰীশিৱকুমাৰে কৰ্ণাটকত বাস কৰা অসমীয়া লোকসকলে শিল্পীগৰাকীৰ স্মৃতি সংৰক্ষণৰ বাবে কৰ্ণাটক চৰকাৰক এটুকুৰা ভূমি বিচাৰি অনুৰোধ জনোৱাৰ কথা উল্লেখ কৰে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰ-নুমলীগড় অংশৰ সম্প্ৰসাৰণ কৰি চাৰিলেনলৈ উন্নীত কৰাৰ বাবে অনুমোদন জনাইছে। মুঠ ৬ হাজাৰ ৯৫৭ কোটি টকা ব্যয়ৰে এই ৮৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা সম্প্ৰসাৰণ কৰা হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে যোৱা এই পথছোৱা নিৰ্মাণৰ ক্ষেত্ৰত বন্যপ্ৰাণী অনুকূল ব্যৱস্থা ৰূপায়ণ কৰা হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা কাৰ্বি আংলঙৰ পাৰ্বত্য অঞ্চললৈ ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰি বন্যপ্ৰাণীসমূহে যাতে মুক্ত আৰু বাধাহীনভাৱে আহ-যাহ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰকল্পৰ অধীনত প্ৰায় ৩৪ দশমিক ৫ কিলোমিটাৰৰ এটা এলিভেটেড কৰিডৰ নিৰ্মাণ কৰা হ'ব। ইয়াৰ ফলত ৰাজধানী মহানগৰ গুৱাহাটী, পৰ্যটনস্থলী কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ঔদ্যোগিক চহৰ নুমলীগড়ৰ মাজত প্ৰত্যক্ষ যোগাযোগ উন্নীত কৰাৰ উপৰি যাতায়াতৰ সময় হ্ৰাস পাব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় মন্ত্ৰীসভাক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ এই প্ৰকল্পক এটা মুখ্য আন্তঃগাঁথনি প্ৰকল্প বুলি উল্লেখ কৰি কয়, যে এই প্ৰকল্পই অসমৰ যোগাযোগ ব্যৱস্থাক এটা নতুন গতি প্ৰদানৰ লগতে মানুহ আৰু জীৱকুলৰ সহাৱস্থানৰ এটা নতুন দিশো মুকলি কৰিব।

০০০০০০০

**আই চি চি মহিলাৰ এদিনীয়া বিশ্বকাপ প্ৰতিযোগিতাত যোৱা নিশা ইন্দোৰৰ হোলকাৰ ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ডিফেণ্ডিং চেম্পিয়ন অষ্ট্ৰেলিয়াই নিউজিলেণ্ডক ৮৯ ৰানত পৰাস্ত কৰে।**

**আজি কলম্বোৰ আৰ প্ৰেমদাছা ষ্টেডিয়ামত পাকিস্তানৰ বিৰুদ্ধে বাংলাদেশে অৱতীৰ্ণ হ'ব। বিয়লি ৩ বজাৰ পৰা খেলখন আৰম্ভ হ'ব।**

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**